# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI

0000000000

**Date :** 03-09-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ব্ৰুনে আৰু ছিংগাপুৰৰ দ্বিদেশীয় ভ্ৰমণসূচীৰ প্ৰথম পৰ্যায়ত আজি বিয়লি ব্ৰুনেইৰ ৰাজধানীত উপস্থিত হয়।

২। চৰকাৰে দেশৰ প্ৰতিৰক্ষা প্ৰস্তুতি সুদৃঢ় কৰাৰ উদ্দেশ্যে ১ লাখ ৪৫ হাজাৰ কোটি টকাৰ প্ৰস্তাৱত অনুমোদন জনাইছে।

৩। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত কাইলৈ পৰ্যন্ত ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে।

৪। বিশ্ব বেংকে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাবে ভাৰতৰ মুঠ ঘৰুৱা উৎপাদনৰ বিকাশ হাৰ সম্পৰ্কীয় পূৰ্বানুমান পূৰ্বৰ ৬ দশমিক ৬ শতাংশৰ পৰা ৭ শতাংশলৈ বৃদ্ধি কৰিছে। *আৰু*

৫। ভাৰতৰ অৱনি লেখ্‌ৰাই আজি পেৰিছ পেৰালিম্পিকৰ মহিলাৰ ৫০ মিটাৰ ৰাইফলৰ থ্ৰি পজিছন শিতানৰ এছ্ এইচ ৱান শাখাৰ ফাইনেলত অৱতীৰ্ণ হ'ব।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ব্ৰুনে আৰু ছিংগাপুৰৰ দ্বিদেশীয় ভ্ৰমণসূচীৰ প্ৰথম পৰ্যায়ত আজি বিয়লি ব্ৰুনেইৰ ৰাজধানীত উপস্থিত হয়। ব্ৰুনেই আন্তৰাষ্ট্ৰীয় বিমান বন্দৰত যুৱৰাজ তথা প্ৰধানমন্ত্ৰী কাৰ্যালয়ৰ জ্যেষ্ঠ মন্ত্ৰী হাজি অল - মুহটাদি বিল্লাহে শ্ৰীমোদীক আদৰণি জনায়। এয়া কোনো ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথম ব্ৰুনেই ভ্ৰমণ। শ্ৰীমোদীয়ে কিছুসময় পূৰ্বে বন্দৰচেৰী বেগৱানত থকা ভাৰতীয় উচ্চায়োগৰ নতুন খণ্ডপীঠ মুকলি কৰে। শ্ৰীমোদী হোটেলত উপস্থিত হোৱাৰ সময়ত দেশখনত বাস কৰা ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলে বিপুলভাৱে আদৰণি জনায়। ব্ৰুনেই ভাৰতৰ এক্ট ইষ্ট নীতি আৰু ভাৰত প্ৰশান্ত মহাসাগৰীয় দৃষ্টিভংগীৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ সহযোগী ৰাষ্ট্ৰ। ভাৰত আৰু ব্ৰুনেইৰ মাজত বিভিন্ন দ্বিপাক্ষিক আৰু বহুপাক্ষিক বিষয় সন্দৰ্ভত পাৰস্পৰিক সন্মান তথা বুজাপৰাৰ ভিত্তিত বন্ধুত্বপূৰ্ণ সম্পৰ্ক আছে। শতিকা শতিকাজোৰা ঐতিহ্য, সংস্কৃতি আৰু পৰম্পৰাই দেশ দুখনক সংযুক্ত কৰি ৰাখিছে। দুয়োদেশৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপনৰ ৪০ বছৰ সম্পূৰ্ণ হোৱাৰ সময়ত গ্ৰহণ কৰা ব্ৰুনেই ভ্ৰমণে বিশেষ তাৎপৰ্য বহন কৰিছে।

ইয়াৰ আগেয়ে দ্বিদেশীয় ভ্ৰমণসূচীৰে ৰাওনা হোৱাৰ পূৰ্বে প্ৰধানমন্ত্ৰীয়ে তেওঁৰ ব্ৰুনেই আৰু ছিংগাপুৰ ভ্ৰমণে দেশ দুখনৰ লগতে বৃহত্তৰ আছিয়া অঞ্চলৰ সৈতে ভাৰতৰ সহযোগিতা সুদৃঢ় কৰিব বুলি আস্থা প্ৰকাশ কৰিছে। শ্ৰী মোদীয়ে কয় যে, দুয়োখন দেশ ভাৰতৰ এক্ট ইষ্ট নীতি আৰু ভাৰত প্ৰশান্ত মহাসাগৰীয় দৃষ্টিভংগীৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ সহযোগী। ভাৰত আৰু ব্ৰুনেই দুয়ো দেশৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপনৰ ৪০ বছৰ সম্পূৰ্ণ হোৱাৰ

উৎসৱ পালন কৰাৰ কথা উল্লেখ কৰি শ্ৰী মোদীয়ে কয় যে, তেওঁ চুলতান হাজি হছনল বোলকিয়া আৰু ৰাজ পৰিয়ালৰ অন্য সদস্যসকলৰ সৈতে আলোচনাত মিলিত হ'বলৈ আগ্ৰহেৰে বাট চাই আছে।

এই ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত শ্ৰীমোদী কাইলৈ ছিংগাপুৰলৈ যাব। শ্ৰী মোদীয়ে কয় যে, তেওঁক ছিংগাপুৰৰ ৰাষ্ট্ৰপতি থৰমন ছনমুগৰত্নম, প্ৰধানমন্ত্ৰী লৰেঞ্চ ৱং, জ্যেষ্ঠ মন্ত্ৰী লী ছিয়েন লুং আৰু জ্যেষ্ঠ নেতা গোহচোক তোঙক সাক্ষাৎ কৰাৰ এই সুযোগলৈ আগ্ৰহেৰে অপেক্ষা কৰি আছে। ভ্ৰমণকালত শ্ৰী মোদীয়ে ছিংগাপুৰত আগশাৰীৰ ব্যৱসায়ীসকলকো সাক্ষাৎ কৰিব। প্ৰধানমন্ত্ৰীয়ে কয় যে, তেওঁ ছিংগাপুৰৰ সৈতে বিশেষকৈ উন্নত নিৰ্মাণ ডিজিটীয়কৰণ আৰু বহনক্ষম উন্নয়নৰ ক্ষেত্ৰত কৌশলগত সহযোগিতা গভীৰ কৰি তোলাৰ বিষয়লৈ আলোচনা কৰিব।

000

চৰকাৰে দেশৰ প্ৰতিৰক্ষা প্ৰস্তুতি সুদৃঢ় কৰাৰ উদ্দেশ্যে ১ লাখ ৪৫ হাজাৰ কোটি টকাৰ প্ৰস্তাৱত অনুমোদন জনাইছে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ অধ্যক্ষতাৰ প্ৰতিৰক্ষা ক্ৰয় পৰিষদে ১০ টা মূলধনী ক্ৰয় প্ৰস্তাৱত অনুমোদন দিছে। পৰিষদে ভৱিষ্যতৰ যুদ্ধবাহন, বায়ু  প্ৰতিৰক্ষা জুই নিয়ন্ত্ৰণ ৰাডাৰ, ডৰ্ণিয়াৰ 228 শ্ৰেণীৰ বিমান, ভৱিষ্যত প্ৰজন্মৰ ক্ষীপ্ৰ তহলদাৰী আৰু উপকূলীয় তহলদাৰী জাহাজ ক্ৰয়ৰ প্ৰস্তাৱত অনুমোদন জনাইছে।

000

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, কেৰালা, মাহে আৰু উত্তৰ প্ৰদেশত কাইলৈ পৰ্যন্ত ধাৰাষাৰ  বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। বিভাগটোৱে এই সময়ছোৱাত গুৱাহাটী আৰু ইয়াৰ চৌপাশৰ এলেকাসমূহত ৭ পৰা ১১ ছেণ্টিমিটাৰ বৰষুণ হ'ব পাৰে বুলি প্ৰকাশ কৰিছে। বৰষুণৰ বাবে গুৱাহাটী আৰু দিশপুৰ চক্ৰৰ একাংশ ঠাইত জলমগ্ন হ'ব পাৰে আৰু যাতায়ত ব্যাহত হ'ব পাৰে বুলি বিভাগটোৱে সতৰ্ক কৰি দিছে।  জনসাধাৰণক বৰষুণৰ ফলত পানী জমা হোৱা ঠাই আৰু ভূমিস্খলন প্ৰৱণ এলেকাসমূহৰ পৰা আঁতৰি থাকিবলৈ বতৰ বিজ্ঞান বিভাগে সকিয়াই দিছে।

000

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত কাইলৈ নতুন দিল্লীত কেন্দ্ৰীয় চৰকাৰ, ত্ৰিপুৰা চৰকাৰ আৰু নেচনেল লিবাৰেশ্বন ফ্ৰণ্ট অৱ ত্ৰিপুৰা- এন এল এফ টি আৰু অল ত্ৰিপুৰা টাইগাৰ ফোৰ্চ -এ টি টি এফৰ প্ৰতিনিধিসকলৰ মাজত এখন চুক্তি স্বাক্ষৰিত হ'ব। চুক্তি সম্পাদনৰ সময়ত ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী মানিক সাহা আৰু গৃহ মন্ত্ৰালয় তথা ত্ৰিপুৰা চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকিব।

গৃহ মন্ত্ৰালয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উগ্ৰবাদ, হিংসা আৰু সংঘৰ্ষমুক্ত উন্নত উত্তৰ-পূৰ্বাঞ্চল গঢ়াৰ দৃষ্টিভংগী বাস্তৱায়িত কৰাৰ উদ্দেশ্যে অক্লান্তভাৱে কাম কৰি আহিছে। কেন্দ্ৰীয় চৰকাৰে উত্তৰ পূৰ্বাঞ্চললৈ শান্তি আৰু সম্প্ৰীতি অনাৰ বাবে ইতিমধ্যে ১২ খন গুৰুত্বপূৰ্ণ চটুক্তি স্বাক্ষৰ কৰিছে। ইয়াৰ ভিতৰত ত্ৰিপুৰা সম্পৰ্কীয় ৩ খন চুক্তিও আছে। নৰেন্দ্ৰ মোদী চৰকাৰৰ দ্বাৰা স্বাক্ষৰিত বিভিন্ন চুক্তিৰ বাবে প্ৰায় ১০ হাজাৰ উগ্ৰপন্থীয়ে অস্ত্ৰ ত্যাগ কৰি মূল সুঁতিলৈ ঘুৰি আহিছে।

000

বিশ্ব বেংকে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাবে ভাৰতৰ মুঠ ঘৰুৱা উৎপাদনৰ বিকাশ হাৰ সম্পৰ্কীয় পূৰ্বানুমান পূৰ্বৰ ৬ দশমিক ৬ শতাংশৰ পৰা ৭ শতাংশলৈ বৃদ্ধি কৰিছে। আন্তৰাষ্ট্ৰীয় বিত্তীয় প্ৰতিষ্ঠানটোৱে কৈছে যে,

ব্যক্তিগত ব্যৱহাৰ আৰু বিনিয়োগৰ দৰে মুখ্য কাৰকসমূহৰ বাবে মধ্যৱৰ্তী সময়ছোৱাত দেশৰ আৰ্থিক বিকাশৰ হাৰ শক্তিশালী হৈ থাকিব। আন্তৰাষ্ট্ৰীয় মুদ্ৰানিধি আই এম এফেও আশাব্যঞ্জক দৃষ্টিভংগী প্ৰকাশ কৰি ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাবে ভাৰতত মুঠ ঘৰুৱা উৎপাদনৰ হাৰ সম্পৰ্কীয় পূৰ্বানুমান ২০ আধাৰ পইণ্ট বৃদ্ধি কৰি ৭ শতাংশলৈ উন্নীত কৰিছে।

পাৰিসাংখ্যিক আৰু কাৰ্যসূচী ৰূপায়ণ মন্ত্ৰালয়ৰ তথ্য অনুসৰি ত্ৰিমাসিক পূৰ্বানুমান অনুসৰি ভাৰতৰ মুঠ ঘৰুৱা উৎপাদনৰ বিকাশ হাৰ ২০২৪-২৫ বিত্তীয় বৰ্ষৰ প্ৰথম তিনিমাহৰ ৬ দশমিক ৭ শতাংশ হোৱাৰ সম্ভাৱনা আছে।

ooo

চত্তিশগড়ৰ বাস্তাৰ সংমণ্ডলৰ দান্তেৱাড়া আৰু বিজাপুৰ জিলাৰ সীমামুৰীয়া এলেকাত আজি সুৰক্ষা বাহিনীৰ সৈতে হোৱা এটা সংঘৰ্ষত ৯ জন মাওবাদী নিহত হয়। এনদ্ৰি গাঁওৰ সমীপৰ এলেকাটোত ভালেসংখ্যক মাওবাদী আত্মগোপন কৰি থকা বুলি সম্ভেদ লাভ কৰাৰ পাছত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী, চি আৰ পি এফ আৰু জিলা সংৰক্ষিত বাহিনীৰ ডিজিআৰৰ এটা যুটীয়া দলে চলোৱা অভিযানৰ সময়ত সংঘৰ্ষৰ সূত্ৰপাত হয়। সংঘৰ্ষস্থলীৰ পৰা মাওবাদীৰ ৯ টা মৃতদেহ উদ্ধাৰ কৰা হৈছে। সংঘৰ্ষস্থলীৰ পৰা এটা এছ এল আৰ ৰাইফল আৰু দুটা অন্য ৰাইফল উদ্ধাৰ কৰা হৈছে। আমালৈ বাতৰি অহাৰ পৰলৈকে অঞ্চলটোত তালাচী অভিযান অব্যাহত আছিল।

ooo

নতুন দিল্লীত আজিৰে পৰা ১২ দিনীয়া কাৰ্যসূচীৰে সমগ্ৰ দেশৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ সদস্যসকলৰ বাবে স্থল সৈনিক শিবিৰ অনুষ্ঠিত হৈছে। স্থলসৈনিক শিবিৰত বিশেষকৈ স্থল শাখাৰ সদস্যসকলৰ মাজত নেতৃত্ব আৰু দলীয় ভাৱনাৰে কাম কৰাৰ মানসিকতা, চাৰিত্ৰিক বিকাশ আদিৰ সামগ্ৰিক প্ৰশিক্ষণ প্ৰদান কৰাৰ উদ্দেশ্যে এই শিবিৰৰ আয়োজন কৰা হৈছে। এই শিবিৰৰ অংশগ্ৰহণকাৰীসকলৰ মাজত মানচিত্ৰৰ অধ্যয়ন বিভিন্ন প্ৰত্যাহ্বানৰ প্ৰশিক্ষণ আদিৰ সন্দৰ্ভত অৱগত কৰোৱা হ'ব। শাৰিৰীক সক্ষমতা, মানসিক দৃঢ়তা, দলীয় ভাৱনাৰে কাম কৰাৰ মানসিকতা আদিৰ সন্দৰ্ভত পৰ্যাপ্ত প্ৰশিক্ষণৰ অভিজ্ঞতাৰ সুবিধা প্ৰদান কৰাৰ উদ্দেশ্যেৰে এই শিবিৰৰ কাৰ্যসূচীসমূহ গ্ৰহণ কৰা হৈছে। অহা ১৩ চেপ্তেম্বৰত এই শিবিৰৰ সামৰণি পৰিব।

ooo

ঝাৰখণ্ড বিজেপিয়ে ৰাজ্যখনত আবকাৰীৰ কণিষ্টবল নিযুক্তিৰ বাবে শাৰিৰীক পৰীক্ষা লোৱাৰ সময়ত প্ৰচণ্ড গৰমৰ বাবে মৃত্যু হোৱা লোকৰ পৰিয়াললৈ এক লাখ টকাকৈ প্ৰদান কৰাৰ কথা ঘোষণা কৰিছে। ১২ গৰাকী চাকৰি প্ৰত্যাশী দৌৰাৰ সময়ত মৃত্যু হয়।

ঝাৰখণ্ডৰ বিধানসভা নিৰ্বাচনৰ বিজেপিৰ সহ প্ৰভাৰী থকা অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে চাকৰি প্ৰত্যাশীসকলৰ শাৰিৰীক পৰীক্ষাৰ সময়ত মৃত্যু হোৱা ঘটনাৰ সন্দৰ্ভত ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ ওচৰত তদন্তৰ দাবী উত্থাপন কৰিব। শ্ৰীশৰ্মাই কয় যে হেমন্ত চোৰেণ চৰকাৰে মৃত্যু হোৱা লোকসকলৰ পৰিয়াললৈ ৫০ লাখ টকাকৈ আৰু তেওঁলোকৰ কোনো এগৰাকী নিকটআত্মীয়ক চাকৰি প্ৰদান কৰা উচিত। বিজেপিয়ে ৰাজ্যখনৰ ক্ষমতালৈ আহিলে তেওঁলোকৰ পৰিয়ালৰ সদস্যক চাকৰি প্ৰদান কৰিব। ঝাৰখণ্ডত এইবছৰতে বিধানসভা নিৰ্বাচন অনুষ্ঠিত হোৱাৰ কথা আছে।

ooo

ভাৰতৰ অৱনি লেখ্‌ৰাই আজি পেৰিছ্ পেৰালিম্পিকৰ মহিলাৰ ৫০ মিটাৰ ৰাইফলৰ থ্ৰি পজিছন শিতানৰ এছ এইচ ৱান শাখাৰ ফাইনেলত অৱতীৰ্ণ হ'ব। ফাইনেল খেল ভাৰতীয় সময় অনুসৰি সন্ধিয়া চাৰে সাত বজাত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ আজি ষষ্ঠ দিনা বিভিন্ন শাখাত পদকৰ যুঁজত অৱতীৰ্ণ হ্বলগীয়া অন্য ভাৰতীয় খেলুৱৈসকলৰ ভিতৰত পূজাই পেৰা আৰ্চাৰীৰ মহিলাৰ ৰিকাৰ্ভ শিতানত প্ৰতিদ্বন্দিতা আগবঢ়াব। একেদৰে দিপ্তী ঝিনাঞ্জি মহিলাৰ ৪০০ মিটাৰ টি টুৱেণ্টি শিতানত অৱতীৰ্ণ হ'ব। আনহাতে, মৰিয়প্পন থাংগাৱেলু, শৈলেশ কুমাৰ আৰু শৰৎ কুমাৰে পুৰুষৰ হাইজাম্পত টি 63 শিতানৰ ফাইনেলত অৱতীৰ্ণ হ'ব। অজিত সিং, ৰিংকু সিং আৰু সুন্দৰ সিঙে পুৰুষৰ জেভলীন থ্ৰ'ৰ এছ 46 ৰ ফাইনেলত দেশৰ হকে প্ৰতিদ্বন্দিতা আগবঢ়াব। ভাৰত সম্প্ৰতি প্ৰতিযোগিতাত ৩টা সোণ, ৫টা ৰূপ আৰু ৭টা ব্ৰঞ্জসহ মুঠ ১৫টা পদকেৰে পদক তালিকাৰ পঞ্চদশ স্থানত আছে।

০০০

সমাপ্ত